# যীচুৱে তেওঁৰ প্ৰথম শিষ্যবিলাকক মাতিছিল

**যীচুক অনুসৰণ কৰিলে পোৱা আনন্দৰ কথা শিশুবিলাকক শিকাওক।**

শিশুবিলাকৰ বয়স আৰু প্ৰয়োজন অনুসৰি শিক্ষামূলক কামবোৰ বাছি লওঁক।

**প্ৰাৰ্থনা ঃ** "প্ৰভু, শিশুবিলাকক শুভবাৰ্ত্তা কেইখনৰ পৰা তোমাৰ জীৱনৰ বিষয়ে আনক কবলৈ সহায় কৰা।"

যীচুৱে তেওঁৰ শিষ্যবিলাকক মতাৰ গল্পটো শিকাবলৈ আপুনি যুগুত কৰক। মথি ৪ঃ১৮-২২ পদ পঢ়ক। এই বাক্যই যীচুৱে তেওঁৰ পৰিচৰ্য্যা কাৰ্য্য চলাই থাকিবলৈ আৰু তেওঁৰ বিষয়ে শুভবাৰ্ত্তা বিলাবলৈ কেনেকৈ শিষ্য নিৰ্ব্বাচন কৰিছিল সেই বিষয়ে কৈছে।

এটি ডাঙৰ শিশুক মনৰ পৰা বা পঢ়ি গল্পটো কবলৈ দিয়ক। তাৰ পিচত এইবিলাক প্ৰশ্ন সোধক *(প্ৰত্যেকটো প্ৰশ্নৰ পাচতেই উত্তৰবোৰ আছে।)*

- যীচুৱে মতাৰ আগতে পিতৰ আৰু আন্দ্ৰিয়ই কি কৰিছিল? *(১৮ পদ)*
- তেওঁলোকে তেওঁৰ পাচ ললে, যীচুৱে তেওঁলোকক কি কৰিব বুলি প্ৰতিজ্ঞা কৰিছিল? *(১৯ পদ)*
- কিমান সোনকালে এই দুজন মানুহে যীচুৰ পাচ লৈছিল? *(২০ পদ)*
- আন দুজন মাছমৰীয়া কোন আছিল? *(২১ পদ)*
- তেওঁলোকে যেতিয়া তৎক্ষনাত যীচুৰ পাচ লৈছিল, তেতিয়া নাৱত কাক এৰি থৈ গৈছিল? *(২২ পদ)*



মথি ১০ঃ২-৪ পদত থকা ১২ জন শিষ্যৰ নামবোৰ মুখস্থ কৰক।

যীচুৱে তেওঁৰ শিষ্যবিলাকক মাতি অনা গল্পটোৰ অংশ নাটক কৰি দেখুওৱাক।

- শিশুবিলাকে নাটকখন কৰি দেখুৱাবৰ বাবে মুখ্য সমজুৱা উপাসনা চলাওঁতা গৰাকীৰ লগত ঠিক কৰি লওক।
- ডাঙৰ ল'ৰা-ছোৱালীবিলাকক নাটখন যুগুত কৰিবলৈ সৰুবিলাকক সহায় কৰিব দিয়ক।
- ডাঙৰ ল'ৰা-ছোৱালী বা জ্যেষ্ঠ বিলাকক যীচু, চিমোন, (পিচত পিতৰ বুলি কোৱা) আন্দ্ৰিয় আৰু বৰ্ণনাকাৰী যিজনে গল্পটো চমুকৈ কয় আৰু ল'ৰা-ছোৱালীবিলাকে কি ক'ব লাগে, কি কৰিব লাগে সেই বিষয়ে সহায় কৰে, তেনেবোৰৰ ভাও ল'বলৈ দিয়ক।
- সৰু ল'ৰাছোৱালীবিলাকক যাকোব, যোহন, তেওঁলোকৰ পিতৃ চিবদিয় আৰু আন মাছমৰীয়াবিলাকৰ ভাও লবলৈ দিয়ক। নাওঁ বনাবলৈ চৰিয়া বা ষ্টুল ওলোটাই লওক আৰু জালৰ কাৰণে ৰছি লওক।

**বৰ্ণনাকাৰী ঃ** গল্পটো বা তাৰ অংশ বিশেষ কয়। তাৰ পিচত কয়, "চিমোনে আন্দ্ৰিয়ক কি কৈছে শুনা।"

**চিমোন ঃ** নাওঁ এখনৰ ওচৰত বহি, "আন্দ্ৰিয় চোৱা ! সৌজন মানুহক সুস্থ কৰা নাচৰতীয়া যীচু। মই তেওঁৰ শিক্ষা ভাল পাওঁ, কিন্তু আমাক লক্ষ্য কৰিবলৈ তেওঁ অতি ভাল আৰু গুৰুত্বপূৰ্ণ।

**আন্দ্ৰিয় ঃ** "হয়, চিমোন ! যীচু এজন ইমান ভাল শিক্ষক যে তেওঁক আমাৰ সহায়ৰ প্ৰয়োজনেই নহয়।"

**যীচু ঃ** "চিমোন আৰু আন্দ্ৰিয় ! আহাঁ আৰু মোৰ পাচত চলা তোমালোকে মোক মানুহ ধৰিবলৈ সহায় কৰিবা।"

**চিমোন আৰু পিতৰ ঃ** জাঁপ মাৰি উঠে। জাল পেলাই দিয়ে আৰু যীচুৰ ওচৰলৈ দৌৰি যায়।

**যীচু ঃ** 'যোহন আৰু যাকোব ! তোমালোকেও আঁহা আৰু মোৰ পাচ লোৱা !"

**চিবদিয় ঃ** তেওঁলোকৰ পিতৃয়ে সকলোবোৰ কাম কৰিবলৈ মোক এৰি থৈ গ'ল। হয়, মই ভাবো এইটো ভালৰ কাৰণেই হৈছে।

**আন মাছমৰীয়া ঃ** নাটকখন আৰম্ভ হোৱা সময়ত তেওঁলোকে তলত বহি থাকে। যেতিয়া চিবদিয়ই কথা কয়, তেওঁ থিয় হয় আৰু যোহন আৰু থাকোবলৈ আঙুলিয়ায়। এনেকুৱা ধৰণৰ কথা কয়, "সৌ মুৰ্খ মানুহবোৰ !" তেওঁলোকে তেওঁলোকৰ নাওঁবোৰ থৈ গ'ল। তেওঁবিলাকে সেইজন শিক্ষকক অনুসৰণ কৰিবলৈ ভাল কামটো এৰি দিছে।'

**বৰ্ণনাকাৰী ঃ** নাটকখন কৰা হৈ যোৱাৰ পিচত যিবিলাকে সহায় কৰিছিল তেওঁলোক আটাইকে ধন্যবাদ জনাওক।

**প্ৰশ্নবোৰ ঃ** যদি শিশুবিলাকে নাটকখন ডাঙৰ বিলাকৰ কাৰণে কৰে, তেনেহলে ওপৰত দিয়া প্ৰশ্নবোৰকে ডাঙৰবিলাকক সুধিব দিয়ক।

মাছ এটাৰ ছবি আঁকক আৰু ল'ৰাছোৱালীবিলাকক চাই চাই আঁকিব দিয়ক।



- ডাঙৰবিলাকে হয়তো নাওঁ এখন আঁকিবলৈ বিচাৰিব।



- উপাসনাৰ সময়ত তেওঁলোকৰ ছবিবোৰ ডাঙৰক দেখুৱাব দিয়ক আৰু ঈশ্বৰে আমাক কেনেকৈ মানুহ ধৰিবলৈ এটি নতুন কাম দিছে সেইটোকে এই ছবিখনে প্ৰকাশ কৰিছে বুলি বুজাই দিয়ক।

  আন বিশ্বাসীবিলাকে কেনেকৈ মাছ ধৰে তাৰ উদাহৰণ শিশুবিলাকক দিবলৈ দিয়ক।

  **কবিতা ঃ** পাঁচগৰাকী ল’ৰা / ছোৱালীক ৰোমীয়া ৮ঃ৩৫-৩৯ ৰ পৰা এটাকৈ পদ দিয়ক।

  ডাঙৰ ল’ৰা-ছোৱালীবিলাকক গল্পটোত থকা যীচুৰ বাক্যবোৰ লৈ কবিতা বা গান লিখিবলৈ দিয়ক।

  **মুখস্থ কৰক যোহন ১৫ঃ১৬ পদ।**

**প্ৰাৰ্থনা ঃ** পিতৃ ঈশ্বৰ, আমাক তোমাৰ শিষ্য হ’বলৈ বাছি লোৱাৰ বাবে তোমাক ধন্যবাদ দিছোঁ। আমি তোমাৰ বাধ্য হ’বলৈ ইচ্ছা কৰোঁ আৰু তুমি আমাক কৰিবলৈ দিয়া ধৰণে কৰি যেন ফল উৎপন্ন কৰিব পাৰোঁ। তোমাৰ আহ্বানক শীঘ্ৰে উত্তৰ দিবলৈ আৰু মানুহ ধৰা কাম শিকিবলৈ আমাক সহায় কৰা।”

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net